# নীতি-সোপান।

৪১৬০/পাঃ পুঃ
১২.৪.৭৯

3452



আসা[illegible] সাহিত্য সভা।

[illegible]ৰী।

প্ৰণীত।

তাৰিখ... নং [illegible]

১৩১৮।

বেচ ৵০ তিনি অনা মাথোন।

# নীতি-সোপান।

শ্ৰীহলিৰাম মহন্ত দ্বাৰা প্ৰণীত

আৰু

শ্ৰীযুত চেনীৰাম দাস পণ্ডিতৰ দ্বাৰা

প্ৰকাশিত।

যোগদলা।

প্ৰথম তাঙ্গৰণ।

৪১৩০/পাঃ পুঃ
১৯.৪.৯৯



কলিকাতা,

৬নং কলেজ-স্কোয়াৰ, সাম্য যন্ত্ৰত,

সেখ আবতুল লতিফৰ দ্বাৰা ছপা হ'ল।

১৯১১ ডিচেম্বৰ।

সৰ্ব্বস্বত্বং সংৰক্ষিতং।] বেচ ৵০ তিনি অনা মাথোন।

# পাতনি।

আজি আঠ বছৰ মান হল এই পুথি খনি প্ৰাইমাৰি স্কুলৰ সাহিত্যৰ অভিপ্ৰায়ে লিখা হৈছিল। কিন্তু শিক্ষা বিভাগৰ উপয়ুঃপৰি পুথিৰ সাল্‌সলনি দেখি নৈৰাশ হৈ আছিলোঁ ; পিছে গ'ল বেলি আমাৰ অসমীয়া ভাষাৰ অজা শ্ৰীযুক্ত হেমচন্দ্ৰ গোসাই ডাঙ্গৰীয়াক দেখোৱাত, তেখেতে পুথিখনি চাই হিন্দু সাহিত্যৰ পৰা সাৰুৱা সাৰুৱা নীতিবিষয় প্ৰবন্ধ সংগ্ৰহ হোৱা দেখি সন্তোষ মনেৰে ছপাবলৈ উৎসাহিত কৰে, আৰু পুথিখন আদিৰ পৰা অন্তলৈ চাই ভাষা আৰু বৰ্ণাদি সংশোধন কৰি দিয়ে। আকৌ "নীতি-সোপান" নাম দি এখনি চাৰ্টিকিকট্ প্ৰদান কৰে।

তাৰ পিছে ইয়াক এদিনাখন "ৰজালী গুৰু সম্মিলনী" সভাৰ পণ্ডিত (সভ্য) সকলক দেখোৱাত তেওঁলোকেও কয় যে, "এনেকুৱা এখন পুথি তলখাপৰ শিক্ষা বিভাগৰ নিতান্ত দৰ্কাৰ। যদি এই খনি পুথি শিক্ষা বিভাগৰ গুৰিয়াল সকলে মঞ্জুৰ কৰি দিয়ে তেন্তে অতিশয় সুখৰ কথা হব।" ইত্যাদি কথা কৈ তেওঁ লোকেও ছপাবলৈ উৎসাহ দিয়ে। এই বোৰ কথাত

উৎসাহিত হৈ পুথিখনি প্ৰকাশ কৰা হল। যদি শিক্ষা বিভাগৰ গৰাকী মহোদয় সকলৰ অনুগ্ৰহত ই আমাৰ দেশৰ পঢ়াশালি বিলাকত ঠাই পায় তেন্তে পৰিশ্ৰম আৰু অৰ্থব্যয় সাৰ্থক জ্ঞান কৰিম।

পৰিশেষত এই পুথিখনি আমাৰ দেশৰ শাক্ত বৈষ্ণৱ উভয় সম্প্ৰদায়ৰ ধৰ্ম্মপ্ৰাণ লোক সকলৰ ঠাইটো আদৰণীয় হব বুলি আশা কৰিলোঁ। এই বিষয়ে গুণ বৰ্ণাই কোৱাৰ সোকাম নাই। উক্ত গোসাই ডাঙ্গৰীয়াৰ সাৰ্টিফিকেট্ খনি আৰু সূচিপত্ৰ পাঠ কৰিলেই পাঠকে পৰিচয় পাব।

যোগদলা। <br> ১।১২।১১ — শ্ৰীহলিৰাম মহন্ত।

# সূচী।


| বিষয়। | পৃষ্ঠা। |
|---|---|
| সাধুসঙ্গ···ৰামায়ণৰ পৰা ( ৰত্নাকৰ বাল্মীকি ) | ১ |
| অধ্যৱসায়-দান-কৃতজ্ঞতা···মহাভাৰতৰপৰা ( কর্ণ ) | ২ |
| পিতৃ-মাতৃ···ধৰ্ম্মপুৰাণৰ পৰা ধৰ্ম্মব্যাধ ( তুলাধাৰ ) | ১৩ |
| পিতৃ-মাতৃৰ প্ৰতি অনাদৰ কৰাৰ ফল···পদ্মপুৰাণৰ পৰা ( সৰ্ব্বশ ) | ১৮ |
| ভীষ্মদেৱ···মহাভাৰতৰ পৰা | ২১ |
| অধ্যৱসায়···মহাভাৰতৰ পৰা ( বিশ্বামিত্ৰ ) | ২৬ |
| ১। শৰণাগত ৰক্ষণ··· ( বিশ্বামিত্ৰ ) | ২৯ |
| ২। শৰণাগত ৰক্ষা কৰা···মহাভাৰতৰ পৰা ( মহাৰাজ চিবি ) | ৩০ |
| অন্নদান···মহাভাৰতৰ পৰা ( মহৰ্ষি মুদ্গল ) | ৩৩ |
| ন্যায়পৰতা···মহাভাৰতৰ পৰা (বিৰোচন আৰু সুধন্বা ) | ৩৫ |
| পৰস্ব গ্ৰহণ···মহাভাৰতৰ পৰা ( শঙ্খ আৰু লিখিত ) | ৩৯ |
| প্ৰতিজ্ঞাপালন···মাৰ্কণ্ডেয় পুৰাণৰ পৰা ( হৰিশ্চন্দ্ৰ ) | ৪১ |
| ১। গুৰুভক্তি···মহাভাৰতৰ পৰা ( উপমন্যু ) | ৫৩ |
| ২। গুৰুভক্তি···মহাভাৰতৰ পৰা ( উদ্দালক ) | ৫৭ |


---

সম্পূৰ্ণ।



ভারত সম্রাট পঞ্চম জর্জ্জ।



ভারত সম্রাজ্ঞী মেরী।

বনত ৰত্নাকৰ বহি থাকে, তাত উপস্থিত হল গৈ। তেওঁ লোকে ৰত্নাকৰৰ পাপ্ কাৰ্য্যবোৰ পূৰ্ব্বেই জানিছিল; তথাপি দয়াগুণে তাৰ উদ্ধাৰৰ অৰ্থে তালৈ গল।

দৈবাৎ সম্মুখত দুজন সন্ন্যাসীক দেখা পাই, ৰত্নাকৰৰ হৃদয় আনন্দত নাচি উঠিল। সি টাঙ্গন কান্ধত্ পেলাই লৰি গৈ, তেওঁলোকৰ সম্মুখত ঠিয় হৈ কবলৈ ধৰিলে, "আজি আৰু তহঁতৰ ৰক্ষা নাই, শমনে তহঁতক স্মৰণ কৰিছে; মৃত্যুৰ নিমিত্তে প্ৰস্তুত হ।"

ব্ৰহ্মাই কলে—"বোপা তুমি নো কোন?"

ৰত্নাকৰে কঠুৱা মাতেৰে উত্তৰ কৰিলে, "মই দস্যু। তহঁতক নাশ কৰি, তহঁতৰ কাপোৰ কানি আদি যি পাঁও তাক লম।"

ব্ৰহ্মাই উত্তৰ কৰিলে, "আমালোক নিৰীহ পথিক, আমালোকক হত্যা কৰিলে যি পাপ্ হব, তাৰ তুলনাত কাপোৰাদিৰ মূল্য একো নহয়। প্ৰাণী হিংসা গুৰুতৰ পাপ্ কৰ্ম্ম। এই মহা পাপৰ নিমিত্তে তুমি নিশ্চয় ঘোৰ নৰকত পতিত্ হবগৈ লাগিব।"

ৰত্নাকৰে কলে "বুজিছোঁ। তহঁতে মোক ফাঁকি দিবলৈ চেষ্টা কৰিছ। এই হাতেৰেই তহঁতৰ নিচিনা কিমান সন্ন্যাসীক যমালয়লৈ পঠাইছোঁ। মই তহঁতৰ পাপ্ পুণ্যৰ বিষয়ে অমূলক কথাত্ নুভুলোঁ; শীঘ্ৰে মৰিবলৈ প্ৰস্তুত্ হ।"

ব্ৰহ্মাই কলে,—“সত্যে কৈছোঁ আমালোকে নপলাওঁ তুমি তোমাৰ পিতৃ-মাতৃ, আত্মীয় সকলোক সুধি আহাঁ গৈ।”

ৰত্নাকৰে ঘৰৰ পিনে যাবলৈ ধৰিলে। কিন্তু সন্ন্যাসী বিলাক পলাই যোৱাৰ আশঙ্কাত ঘনে ঘনে পিচৰ পিনে উভতি চাই গৈছিল।

ৰত্নাকৰে ঘৰলৈ গৈ প্ৰথমতে পিতাকৰ গুৰিত উপস্থিত হৈ কলে, “পিতা! মই নৰ-হত্যাকৰি যে ধন সংগ্ৰহ কৰোঁ, আপুনি মোৰ সেই পাপৰ অংশ লবনে?”

পুতেকৰ কথা শুনি, বাপেকে খঙ্গ কৰি কলে, “পুত্ৰই পাপ্ কাৰ্য্য কৰি, বাপেকক পোহ-পাল কৰিব; [illegible]কে সেই পাপৰ অংশ ভাগীহব, এনেকথা কোনে কলে? আৰু কোন শাস্ত্ৰত এনে বিধি আছে? তুমি যেতিয়া লৰা আছিলা, তেতিয়া তোমাৰ যি যি আৱশ্যক আছিল, সেই সমস্তকে দি, মই তোমাক প্ৰতিপাল কৰিছিলোঁ। এতিয়া মই বৃদ্ধ হৈছোঁ, তুমি অৱশ্যে মোক আৱশ্যক দ্ৰব্যেৰে প্ৰতিপাল কৰিব লাগে। মই যিমান পাপ্ কৰিছোঁ, তুমি তাৰ অংশ ভাগী হব নেলাগে। তোমাক নৰ-হত্যা কৰিবলৈ কোনে কৈছে? মই কিয় তোমাৰ পাপৰ ভাগী হম্”?

এই কথা শুনি ৰত্নাকৰৰ মুখ শুকাই গল। সি মাকৰ গুৰিলৈ গৈ কান্দি ২ কলে, “আই! অনেক পাপ্

সুখশান্তি নাইকিয়া হ'ল। সি চকু মুদি মানস্ চকুৰে দেখিবলৈ ধৰিলে যে, হেজাৰে হেজাৰে নৰক কুণ্ড তাৰ নিমিত্তে মুকলি হৈ আছে। যমদূত্ বোৰে বিকট মূৰ্ত্তি ধৰি তাৰ নিমিত্তে বাট্ চাই আছে। ৰত্নাকৰে কান্দি পেলালে, চকুৰ পানীৰে তাৰ পিন্ধা কাপোৰ তিতি গ'ল। সি ভাবি বলৈ ধৰিলে, "মোৰ কি গতি হব। হায়! মই এই হাতে কিমান নিৰীহ লোকক বিনাশ কৰিছোঁ। কিমান শিশুক কন্দুৱাইছোঁ, কিমান নাৰীক অনাথিনী কৰিছোঁ। হায়! কলৈকে যাম? কোন ঠাইলৈ গলে মোৰ এই বিষম পাপৰ ভাৰ কমিব"? ৰত্নাকৰে এই ৰূপে বাৰম্বাৰ ভাবি উধাতু খাই লৰি গৈ যি ঠাইত ব্ৰহ্মা আৰু নাৰদ আছিল সেই ঠাইত উপস্থিত হল গৈ।

ব্ৰহ্মাই দেখিলে যে ৰত্নাকৰৰ অৱস্থা পূৰ্ব্বৰ নি[illegible] নাই। ডকাইত ৰত্নাকৰ অনুতাপৰ জুইত ভষ্ম হৈছে; তাৰ পৰিবৰ্ত্তে এজন নতুন লোক উপস্থিত।

ব্ৰহ্মাইকলে,—"কেনে? কোনোবাই তোমাৰ পাপৰ ভাগ লবলৈ গাত লোলেনে?"

ৰত্নাকৰে এই কথাৰ কোনো উত্তৰ নিদি, ব্ৰহ্মাৰ চৰণত সাৱটি ধৰিলে; আৰু অতিশয় কাতৰ সুৰেৰে ঘনে ঘনে কবলৈ ধৰিলে; "প্ৰভো! এই অধমক উদ্ধাৰ কৰা, মই পাপ সাগৰত বুৰিলোঁ।"

ব্ৰহ্মাই ৰত্নাকৰক ভাৰসা দি কলে, "ভয় নাই নে

তাৰ পিছত ৰত্নাকৰ বাল্মীকি বুলি প্ৰসিদ্ধ হ'ল। সাধু সঙ্গৰ মাহাত্ম্য অসীম। সাধু সঙ্গৰ গুণত এই উকাইত ৰত্নাকৰে ঋষিপদ পালে।

এদিন বাল্মীকিয়ে দেখিলে যে, এজোৰ কুৰুৱাই গছৰ ডালত পৰি আছে; এনে সময়তে এজন ব্যাধে তীক্ষ্ণ শৰেৰে সিহঁতৰ এটিক বিনাশ কৰিলে। এই ঘটনা দেখি, বাল্মীকিৰ হৃদয়ে কান্দি উঠিল; তেওঁ শোকত কাতৰ হৈ কলে, "হেৰ ব্যাধ! তই কেতিয়াও যশস্যা আৰু মুক্তি লভিব নোৱাৰিবি।"

সেই বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰি, পৃথিবীত অমৰ হৈ আছে।

---

## অব্যৱসায়-দান-কৃতজ্ঞতা।

### কৰ্ণ।

(মহা ভাৰতৰ পৰা গোটোৱা)।

অঙ্গদেশৰ ৰজা মহাবীৰ "কৰ্ণ" দাতা পৰোপকাৰী আৰু কৃতজ্ঞ বুলি বিখ্যাত্। তেওঁক সৰুৰে পৰা "অধিৰথ" নামে এজন সুতে পুত্ৰৰ নিচিনা কৈ পোহ-পাল কৰিছিল। অধিৰথৰ পত্নীৰ নাম 'ৰাধা' ৰাধাৰ স্তন-দুগ্ধ খাই ডাঙৰ হৈছিল, বুলিয়েই অনেকে কৰ্ণক "ৰাধেয়" বুলিছিল।

ব্ৰাহ্মণ বুলি পৰিচয় দিছিল। স্বন্ধপাৰ্থত তেওঁ হলে ব্ৰাহ্মণ নহয়। মিচাৰ সমান পাপ একো নাই; এই গুণে পৰশুৰাম কৰ্ণৰ ওপৰত অতিশয় অসন্তুষ্ট হল আৰু কৰ্ণৰ অসাধাৰণ গুৰুভক্তি আৰু সহিষ্ণুতা থাকিলেও যুজৰ সময়ত তেওঁ সময়ৰ শৰ পাহৰিব বুলি অভিশাপ প্ৰদান কৰিলে। মিছলীয়াৰ যিমানেই গুণ থাকক, তথাপি তাক কোনেও ভাল নেপায়।

দ্ৰোনাচাৰ্য্য নামে এজন মুনি-পুত্ৰ মহা ধনুৰ্দ্ধৰ আছিল, তেওঁ কুৰু বংশৰ ৰাজ পুত্ৰ বিলাকক অস্ত্ৰবিদ্যা শিকাইছিল। যুধিষ্ঠিৰ, অৰ্জ্জুন, দুৰ্য্যোধন প্ৰভৃতি সকলো তেওঁৰ শিষ্য। এদিনাখন দ্ৰোনে ছাত্ৰ বিলাকৰ মহলা লবৰ ইচ্ছা কৰিলে। মহলাৰ দিন স্থিৰ হল। নগৰৰ এটাই বোৰ ডাঙৰ লোক শিশু বিলাকৰ মহলা দে[illegible] উপস্থিত হলহি। শিশু বোৰেও এটা এটাকৈ নিজ নিজ বিদ্যা-বুদ্ধিৰ প্ৰমাণ দেখুৱালে।

অৰ্জ্জুনক সকলোতকৈ পাৰ্গত বুলি ঠিক কৰা হ'ল। সকলোৱে ধন্য ধন্য বুলি অৰ্জ্জুনক প্ৰসংশা কৰিলে। কিন্তু কৰ্ণৰ এই কথা অসহ্য হ'ল। কৰ্ণ নিৰ্ভয়েৰে ৰঙ্গশাললৈ গৈ, অৰ্জ্জুনক মাতি কলে,—"অৰ্জ্জুন তুমি যি বোৰ কৌশল দেখাই সভাস্থ সকলোকে বিস্মিত্ কৰিছা, মইও সেই বোৰ কৌশল দেখাব পাৰোঁ।"। কৰ্ণৰ এই অহঙ্কাৰ বাক্য শুনি সভাৰ সমস্ত লোকে তাৰ

তেওঁৰ দানৰ যশৰে পৃথিবী পূৰ্ণ হল; সুতপুত্ৰ নাম গুছিল। শেষত তেওঁ "দাতা কৰ্ণ" বুলি বিখ্যাত হ'ল। *

দেৱতাৰ অনুগ্ৰহত কৰ্ণই অক্ষয় "কৱচ্ কুণ্ডল" পাইছিল। এই অসাধাৰণ কৱচ্ কুণ্ডলৰ বলত তেওঁ সমৰত অজেয় আছিল। এদিনাখন দেৱতা সকলৰ ৰজা ইন্দ্ৰই ব্ৰাহ্মণৰ বেশেৰে কৰ্ণৰ ওচৰত উপস্থিত হৈ সেই দুৰ্ভেদ্য কবচ্ কুণ্ডল দান খুজিলে। কৰ্ণই জানে যে কৱচ্ কুণ্ডল পৰিত্যাগ কৰিলে, তেওঁৰ নিজৰ জীৱন বিপন্ন হব। তথাপি তেওঁ ভিক্ষুকক বিমুখ নকৰিলে। আপোনাৰ জীৱনলৈ লক্ষ্য নকৰি তেওঁ ভিক্ষুকৰ কথা ৰাখিলে। সাধু লোকে পৰৰ উপকাৰ কৰিবলৈহে জীৱন ধৰে।

দুৰৱস্থাৰ সময়ত কৰ্ণে দুৰ্য্যোধনৰ ওচৰত উপকাৰ পাইছিলে; তেওঁৰ জীৱন থাকে মানে এই কথা নেপাহৰিছিল। যিহত দুৰ্য্যোধনৰ উপকাৰ হয়, কৰ্ণই নিজৰ জীৱন দিও তাক কৰিবলৈ প্ৰস্তুত্ আছিল। কুৰুক্ষেত্ৰৰ মহা সমৰত জীৱনৰ শেষ মূহুৰ্ত্ত পৰ্য্যন্ত কৰ্ণই দুৰ্য্যোধনৰ ফলীয়া হৈ যুদ্ধ কৰিছিল। এই মহা ৰথীক পাণ্ডৱৰ ফলীয়া ক'ৰবলৈ অনেক চেষ্টা কৰা হৈছিল কিন্তু সিদ্ধি নহল। যিমান বাৰ কৰ্ণৰ আগত এই প্ৰস্তাৱ কৰা

* এ সময়ত পৰমেশ্বৰ নিজে ছদ্মবেশেৰে কৰ্ণৰ দানৰ পৰীক্ষা কৰিবলৈ গৈ তেওঁক পুত্ৰক কাটিদিবলৈ কোৱাত, তাতো বিমুখ নহৈ অকাতৰে নিজৰ পুতেকক কাটি দিছিল।

সাগৰৰ তীৰত্ গৈ কৃত বোধ ঘোৰ তপস্যা কৰিবলৈ ধৰিলে। আহাৰ-নিদ্ৰা এৰি, একাসনত বহি, তেওঁ বহুকাল কটালে। লাহে লাহে উঁইৰ ভেটিৰে তেওঁৰ শৰীৰ ঢাক গ'ল। বৰ্ষাকালৰ বৰষুণৰ পানীৰে সেই মাটি বোৰ পমি গ'ল। তেতিয়া চৰাই বোৰে কৃতবোধৰ চুলিৰ মাজত বাহ্ সাজিলে। যেতিয়া ধ্যান, ভাগিল তেতিয়া এই বোৰ ঘটনা দেখা পাই, কৃত বোধৰ মনত বৰ অহঙ্কাৰ উপস্থিত হ'ল। তেওঁ ভাবিলে যে, মই কি ঘোৰ তপস্যা কৰিলোঁ। এই কথা ভাবি তেওঁ সাগৰত স্নান্ কৰিবলৈ গল। ঘূৰি আহোঁতে এটা বগলীয়ে তেওঁৰ গাত্ মল ত্যাগ কৰিলে। এই ঘটনাত্ কৃতবোধে বৰ খঙ্গ কৰি বগলীৰ পিনে চাওঁতেই বগলীটো ভস্ম হৈ গ'ল, তাক দেখি কৃতবোধ ভাবিলে "মোৰ তপস্যা সিদ্ধি হৈছে।" এই ৰূপে ভাবি, তেওঁ অহঙ্কাৰত বুকু ফিন্দাই ফিতাহি মাৰি ফুৰিবলৈ ধৰিলে।

এদিন দুপৰীয়া ক্ষুধাতুৰ হৈ কৃতবোধে এজন ব্ৰাহ্মণৰ ঘৰত আলহী হ'ল গৈ। ব্ৰাহ্মণ সেই সময়ত শুই আছিল আৰু তেওঁৰ পুতেকে পিতাকৰ পদসেৱা কৰিছিল। এই কাৰণে কৃতবোধক দেখি ব্ৰাহ্মণ শিশুৱে সমাদৰ কৰিব নোৱাৰিলে, এই বাবে তেওঁ খঙ্গেৰে এই বুলি কলে "হে ব্ৰাহ্মণ কুমাৰ! মই আলহী, মোক গৃহত উপস্থিত হোৱা দেখিও তুমি কোনো কথা নোকোৱা কেলেই? গৃহস্থৰ

ব্ৰাহ্মণ শিশুৱে কলে, বাৰাণসীত এজন ব্যাধ আছে, তাৰ নাম "তুলাধাৰ।" তেওঁ বৰ ধাৰ্ম্মিক, আপুনি তেওঁৰ ওচৰলৈ যাওঁক। কিন্তু আজি আপুনি মোৰ পিতাৰ আলহী, এতেকে আজি ইয়াতে থাকোক। কৃত-বোধে কলে "বাৰু সেইয়ে হব।" এই বুলি সেই দিন সেই ঠাইতে থাকি, পাচ্ দিনা খন পুৱাতে বাৰাণসী লৈ প্ৰস্থান কৰিলে। তেওঁ গৈ তুলাধাৰৰ ঠাইত উপস্থিত হোৱাত তুলাধাৰে কলে, "মই আপোনাৰ আগমনৰ কথা পূৰ্ব্বে জানিছোঁ। আপুনি তপোমদত এজন ব্ৰাহ্মণ শিশুক অপমান কৰিছে, তেওঁ আপোনাৰ দৰ্পচূৰ্ণ কৰি মোৰ ঠাইলৈ পাঠিয়াইছে। বাৰু মোৰ ঘৰলৈ আহক।" এই কথা কৈ তুলাধাৰে যাবলৈ ধৰিলে। ব্ৰাহ্মণে হুনাই কোনো কথা নকৈ তাৰ পিচে পিচে গল। ব্যাধে ঘৰত গৈ প্ৰথ[illegible] তাৰ মাক বাপেকক সভক্তিৰে সেৱা কৰিলে; আৰু [illegible] যোৰ কৰি তেওঁ লোকৰ আগত ঠিয় হৈ থাকিল। পিতাকে আদেশ কৰিলে, বাপা! আলহীক সমাদৰ কৰা। পিতাকে আদেশ কৰাত তুলাধাৰে সমুচিত ৰূপে আলহীক সেৱা শুশ্ৰূষা কৰিলে।

ব্যাধৰ সেৱাত কৃতবোধৰ পথশ্ৰম গুচিল। তেওঁ সুধিলে "যি কাৰণে মই আহিছোঁ, সি আপোনাৰ অবিদিত নাই। এতিয়া কওক কেনেকৈ মই আপোনাৰ নিচিনা সৰ্ব্বজ্ঞানী হব পাৰিম?"

আহিলোঁ। আৰু তেতিয়াৰে পৰা কায়মনোবাক্যে পিতৃ-মাতৃৰ আদেশ পালিছোঁ। মোৰ যি অলপ্ জ্ঞান জন্মিছে, কেৱল পিতৃ-মাতৃৰ কৃপাত হে।”

“মহাশয় আপুনি পিতৃ-মাতৃৰ মনত দুঃখ দি তপ্ কৰিবলৈ গৈছিল। পিতাৰে নিষেধ কৰাতো তেওঁৰ কথা নুশুনি, তপ্ কৰিবলৈ গৈছিলা। এই মহাপাপত্ আপোনাৰ তপস্যা বিফল হৈছে। যদি মঙ্গল লাভ কৰিবলৈ ইচ্ছা কৰা; তেন্তে অবিলম্বে ঘৰলৈ গৈ জনক-জননীৰ সেৱা কৰা। তেনেহলে আপুনি সকলো তপস্যাৰ ফল্ পাব।”

ব্যাধৰ কথাত কৃতবোধৰ জ্ঞান জন্মিল। তেওঁ ঘৰলৈ গৈ একান্ত মনেৰে পিতৃ-মাতৃক সেৱা কৰিবলৈ ধৰিলে।

# পিতৃ-মাতৃৰ প্রতি অনাদৰ কৰাৰ ফল।

## সৰ্ব্বশ।

(পদ্মপুৰাণৰ পৰা গোটোৱা)।

“মনোভদ্র” নামে এজন ৰজাৰ দুটি পুতেক আছিল। ৰজাই বুঢ়া হোৱাত, পুতেক দুজনৰ হাতত ৰাজ্যভাৰ দিবলৈ ইচ্ছা কৰিলে, অভিষেকৰ দিনা সকলো ৰাজ সভাত বহি আছে, এনে সময়তে এটা শগুণ নির্ভয়েৰে সভা ঘৰত সোমালহি। শগুণতো সভাত প্ৰবেশ কৰা

আৰু দুৰ্ম্মুখ ( কটুভাষী ), সিহঁতৰ জ্ঞান বা দয়াৰ লেশমাত্র নাই। কেৱল সিহঁতৰ নিমিত্তেই মোৰ বিদ্যা, বুদ্ধি, ধণ প্ৰভৃতি সকলো সম্পদ্ বিফল হ'ল। মই বাৰ বাৰ এইৰূপে ভাবি পিতৃ-মাতৃৰ সেৱা পৰিত্যাগ কৰি, তেওঁলোকৰ প্রতি দুৰ্ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলোঁ। কালে মোৰ মৃত্যু হ'ল। যমদুত বোৰে ধৰ্ম্ম-ৰাজৰ আদেশে, মোক বান্ধি নি দাৰুণ নৰকত পেলালে। সেই নৰকত আপোনাৰ পুত্ৰ বিলাকৰ সহিতে মোৰ সাক্ষাৎ হৈছিল। অনুসন্ধান কৰি জানিব পাৰিলোঁ এওঁলোক পুৰ্ব্বজন্মত ধনী আছিল; কিন্তু দৰিদ্র আৰু মগনীয়া সকলক এটি কপৰ্দ্দকও দান নকৰিছিল। সেই পাপৰ ফলত বহুত পুণ্য-কৰ্ম্ম কৰিও নৰকত পৰিছেহি। ভগৱানৰ অপাৰ কৃপাত এওঁলোক এতিয়া পাপ্ মুক্ত হৈ অতুল সম্পদ্ লাভ কৰিছে। সেই হেঁতুকে মই আজি এওঁলোকক দেখিবলৈ আহিছোঁ।”

এই কথা কৈ শগুণে আকৌ কবলৈ ধৰিলে,—“মহাৰাজ! মই বৰ দুৰ্ভগীয়া। পিতৃ-মাতৃৰ প্রতি অৱহেলা কৰিলে পৰিণামে কেনে দুৰ্গতি ভোগ কৰিব লগীয়াত পৰে, মইয়ে তাৰ প্ৰত্যক্ষ প্ৰমাণ। মই হেজাৰ বছৰ ক্রমান্বয়ে নৰক যাতনা ভোগ কৰি, অৱশেষত শগুণ হৈ হে জন্ম লভিলোঁ। এতিয়া শৱ ভক্ষণ কৰিহে প্ৰাণ ধাৰণ কৰিছোঁ। মোক ধিক্, যি ভাগ্যহীনে পিতৃ-মাতৃৰ প্রতি ভক্তি নকৰে তাৰ ইহ-পৰ দুইও কালতে দুৰ্গতিৰ সীমা না থাকে।

ভীষ্মৰ পিতৃ ভক্তিও অসাধাৰণ। পিতাকৰ সন্তোষৰ কাৰণে তেওঁ প্ৰতিজ্ঞা কৰিছিলে যে "বিয়া নকৰোঁ।" সেই কাৰণে ভীষ্মই যাবজ্জীৱন ব্ৰহ্মচাৰী ভাৱে অৱস্থান কৰিছিল; তথাপি এদিনৰ কাৰণেও নিজৰ প্ৰতিজ্ঞাৰ কথা বিস্মৃত নহৈছিলে।

শিক্ষা কৰিবলৈ ভীষ্মৰ একান্ত অনুৰাগ আছিল। তেওঁ অলপ্ বয়সতে এজন সৰ্ব্বশ্ৰেষ্ঠ ধনুৰ্দ্ধৰ হৈ উঠে। তেওঁৰ অলৌকিক শক্তি দেখি, লোকে তেঁওক দেৱতা বুলি কৈছিল। ভীষ্মৰ চৰিত্ৰ আতি গুৰি ভাবিলে, তেঁওক দেৱতা ভিন্ন আন একো বুলিব নোৱাৰি।

ভীষ্মদেৱ মহাৰথী আছিল, তেওঁৰ লগত সন্মুখ সমৰত স্থিৰ থাকিব পৰা বীৰ সেই সময়ত কোনো নাছিল। কুৰু-পাণ্ডৱৰ মহাযুদ্ধত তেওঁ অকলৈ প্ৰতিদিনে অযুত যোদ্ধাৰ প্ৰাণ বিনাশ কৰিছিল।

দহ দিন এনেকুৱা ভয়ানক যুদ্ধ কৰাৰ পিছত্ অন্যায় সমৰত পাণ্ডৱদলে এই মহাৰথীক পৰাভৱ কৰিলে *

* তেওঁ পূৰ্ব্বে তিৰোতাৰ সন্মুখত শৰ-ধনু নধৰোঁ আৰু ৰণত ভঙ্গ নিদিওঁ বুলি প্ৰতিজ্ঞা কৰিছিল। সমৰত পাণ্ডৱ সকলে শিখণ্ডি নামে এজন নপুংসকক আগত্ থৈ, অৰ্জ্জুনৰ হতুৱাই শৰ কৰি তেওঁৰ প্ৰাণ বিনাশ কৰিলে। তেওঁ প্ৰাণকে এৰিলে, তথাপি প্ৰতিজ্ঞা ভঙ্গ কৰি, ধনু-শৰ নধৰিলে আৰু ভঙ্গও নিদিলে।

"আপুনি সিংহাসন গ্রহণ নকৰে। সেই কথা জানিলোঁ; কিন্তু আপোনাৰ পুত্ৰই কিয় ৰাজ্যৰ আশা এৰিব? আপোনাৰ মাতৃ-কুল আৰু পিতৃ-কুল উভয়ে উচ্চ, বিশেষতঃ আপুনি জ্যেষ্ঠ পুত্ৰ, এতেকে আপুনি ৰাজ্যৰ সম্পূৰ্ণ উত্তৰাধিকাৰী, গতিকে প্ৰজা সকল আপোনাৰ সহায় হব। আপুনি ৰাজ্য নললেও সিহঁতে আপোনাৰ পুত্ৰৰ মতানুবৰ্ত্তী হব।"

ভীষ্মই কলে,—"মহাশয়! আপুনি অমূলক্ সন্দেহ নকৰিব দেউতাৰ কাৰণে ৰাজ্য থাওঁক যদি জীৱন দিবলৈ কোৱঁা, মই তাতে প্ৰস্তুত্ আছোঁ। মই ধৰ্ম্মক সাক্ষী কৰি প্ৰতিজ্ঞা কৰিলোঁ যে, এই জীৱনত বিয়া নকৰোঁ। মই বিয়া নকৰিলে আপোনাৰ দৌহিত্ৰৰ ৰাজ্য প্ৰাপ্তিৰ কোনো বিঘ্ন ন'হব।" ভীষ্মৰ উন্নত্ চৰিত্ৰৰ কথা দেশ জুৰি প্ৰচাৰ হৈছিল। কাজে কাজেই সত্যৱতীৰ পিতাকে আৰু কোনো সন্দেহ নকৰি, বৃদ্ধ শান্তনুৰ লগত সত্যৱতীক বিয়া দিলে।

ভীষ্মদেৱে মাহী আইক জননীৰ নিচিনা সম্মান কৰিছিলে। যি বিমাতাৰ নিমিত্তে তেওঁ ৰাজ্য-ধনাদি সকলো সুখৰ বস্তু হেৰুৱালে সেই বিমাতাৰ প্ৰতিও তেওঁৰ মনত অলপো বিৰাগৰ সঞ্চাৰ হোৱা নাছিল। ধন্য ভীষ্ম! ধন্য তেওঁৰ পিতৃ-ভক্তি!! ধন্য তেওঁৰ ন্যায় নিষ্ঠা!!!

সত্যৱতীৰ গৰ্ভত শান্তনু ৰজাৰ ঔৰষত "বিচিত্ৰবীৰ্য্য"

কুৰুক্ষেত্ৰৰ যুদ্ধত ভীষ্ম দুৰ্য্যোধনৰ ফালে হৈছিল। ভীষ্মে জানে যে দুৰ্য্যোধন পাপী, পাণ্ডৱ সকল নিষ্পাপী, দুৰ্য্যোধন লোভী, অত্যাচাৰী, পাণ্ডৱ সকল নিৰ্লোভী আৰু ধাৰ্ম্মিক। এই কাৰণে তেওঁ মনে-প্ৰাণে পাণ্ডৱৰ মঙ্গল কামনা কৰিছিলে। যাতে যুদ্ধ নহয়, সেই বিষয়ে তেওঁ দুৰ্য্যোধনক ভালেমান বুজাইছিল। কিন্তু দুৰ্য্যোধনে কোনো কথা নুশুনিলে।

নীতি শাস্ত্ৰত ভীষ্মৰ নিচিনা পণ্ডিত সেই সময়ত কোনো নাছিল। তেওঁ মৃত্যুৰ পূৰ্ব্বে যুধিষ্ঠিৰাদিক যি বিলাক উপদেশ দি গৈছে, তাৰ প্ৰতি কথাতে ভীষ্মৰ অসীম নীতি-জ্ঞানৰ পৰিচয় পোৱা যায়। ভীষ্মক লোকে শাপভ্ৰষ্ট দেৱতা বুলি ভক্তি কৰে। আচলতে তেওঁৰ চৰিত্ৰও দেৱতাৰ নিচিনা আছিল। ভীষ্মৰ নিচিনা মহাপুৰুষ পৃথিবীতে দুৰ্লভ।

---

# অধ্যৱসায়।

## বিশ্বামিত্ৰ।

কাণ্যকুব্জ দেশত "গাধি" নামে এজন বিখ্যাত ৰজা আছিল। "বিশ্বামিত্ৰ" তেওঁৰ পুতেক। বিশ্বামিত্ৰে উপযুক্ত বয়স পাই, পিতাকৰ সিংহাসনত আৰোহণ কৰিছিল।

এই ঘটনাৰ পৰা ৰজাৰ মনত বৈৰাগ্য * উপস্থিত হ'ল। তেওঁ ভাবিলে শৰীৰৰ বলে বল ন হয়। জ্ঞানৰ বলেহে বল। মই ইমান এজন ডাঙ্গৰ ৰজা হৈও এজন বনবাসী ঋষিক বলে নোৱাৰিলোঁ। মোৰ ৰাজ্য আৰু ঐশ্বৰ্য্যক ধিক্।

তাৰে পৰা বিশ্বামিত্ৰই ৰাজ্য-ধন প্ৰভৃতি সমস্তকে পৰিত্যাগ কৰিলে তেওঁ মনতে ভাবিলে যে, "যি উপায়েৰে পাৰোঁ মই ব্ৰাহ্মণ হম।" এই প্ৰতিজ্ঞা কৰি, তেওঁ বৰ ঘণ বনত প্ৰবেশ কৰিলে আৰু তাতে বহি একান্ত মনে সেই সনাতন পৰমেশ্বৰক আৰাধনা কৰিবলৈ ধৰিলে।

কেতিয়াবা ফলাহাৰ কৰি, কেতিয়াবা অনাহাৰে থাকি বিশ্বামিত্ৰ উগ্ৰ তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ দৃঢ় সঙ্কল্প যে তেওঁ ব্ৰহ্ম তেজ লাভ কৰিব। জাৰ-জহ, বতাহ বৰষুণ, ৰদ একোতে তেওঁৰ দৃক্‌পাত্ নাই। কোনো ৰকমৰ ক্লেশে তেওঁক কৰ্ত্তব্য-ভ্ৰষ্ট কৰিব নোৱাৰিলে। এনেকুৱা অসীম অধ্যৱসায়েৰে মানুহে কি কৰিব নোৱাৰে? শেহত অধ্যৱসায়ৰ জয় হল। বিশ্বামিত্ৰ ব্ৰহ্মৰ্ষি হল।

অধ্যৱসায়ৰ পৰা অসম্ভৱো সম্ভৱ হয়। বিশ্বামিত্ৰয় এই কথাৰ প্ৰমাণ দিলে।

---

* বৈৰাগ্য ঐহিক সুখৰ বাঞ্চা এৰি ঈশ্বৰত মন লগোৱা কাৰ্য্য।

ভাবি আকুল হ'ল। অৱশেষত অজীগৰ্ত্ত নামে এজন দুখীয়াক ধনদি তাৰ পুতেক শুণঃ চেফক কিনি আনিলে। হৰিশ্চন্দ্ৰই পুতেকৰ পৰিবৰ্ত্তে এই শিশুটিকে বৰুণৰ উদ্দেশে বলি দিবলৈ উদ্যোগ কৰিলে। শিশুকালত কেৱল পিতৃ-মাতৃয়েই সন্তানৰ ৰক্ষক। পিতাকে অৰ্থ লোভত, শুনঃ চেফক বিক্ৰয় কৰিছিলে। লোকে অন্যায়-ৰূপে উৎপীড়িত হলে, ৰজাৰ ঠাইত বিচাৰৰ প্ৰাৰ্থনা কৰে। ৰজাই নিজেই শুনঃ চেফৰ প্ৰাণ বিনাশ কৰিবলৈ উদ্যত হৈছে। এনে অৱস্থাত এই পৃথিবীত এই অসহায় লৰাৰ সহায় কোন হব। এই লৰাটিৰ অৱস্থা দেখি বিশ্বামিত্ৰৰ মনত দয়া উপজিল। ঋষিয়ে আপোনাৰ তপৰ বলত শুনঃ চেফৰ জীৱন ৰাখিলে। যাৰ হৃদয় পৰৰদুঃখ দেখি এনে ব্যাকুল হয়, যি নিৰাশ্ৰয়ক আশ্ৰয় দিবলৈ প্ৰাণে চেষ্টা কৰে, তেওঁ যে ক্ষত্ৰিয় কুলত জন্ম ধৰি, ব্ৰহ্মৰ্ষি হব সি একো আচৰিত নহয়।

---

## ২। শৰণাগতক ৰক্ষা কৰা।

### মহাৰাজা চিবি।

(মহা ভাৰতৰ পৰা গোটোৱা।)

পূৰ্ব্ব কালত "চিবি" নামেৰে এজন বৰ ধৰ্ম্মিষ্ঠ ৰজা আছিল। এদিন দেৱতা সকলৰ ৰজা "ইন্দ্ৰ" আৰু

আশা পৰিত্যাগ কৰা। "আন যি কোনো মাংস আহাৰ কৰিব খোজা কোৱাঁ, মই তোমাক তাকে দিওঁ।"

শেনে কলে,—"মহাৰাজ! আন কোনো মাংসতে মোৰ ৰুচি নাই। পৰমেশ্বৰে আজি এই কপৌটিকেই মোৰ ভক্ষ্যৰূপে পঠাইছে। আপুনি দয়া কৰি ইয়াকেই মোক দিয়ক।"

চিবিয়ে কলে,—"ইয়াৰ সলনি মই নিজৰ প্ৰাণ দিবও পাৰোঁ, তথাপি এই শৰণাগত পাৰটিক পৰিত্যাগ কৰিব নোৱাৰোঁ। তুমি ইয়াৰ আশা পৰিত্যাগ কৰি, আন যি ইচ্ছা তাকে প্ৰাৰ্থনা কৰা।"

শেনে কলে,—"মহাৰাজ! যদি একান্ত আপুনি পাৰটিক ৰাখিবলৈ ইচ্ছা কৰিছে, তেন্তে আপোনাৰ নিজ-শৰীৰৰ পৰা কাটি মোক পাৰৰ সমান জোখৰ মাংস দিয়ক।" ৰজাই তৎক্ষণাৎ হৰ্ষান্তঃকৰণেৰে শেনৰ কথাত মান্তি হ'ল। তুলাচনী আনি ৰজাই আপোনাৰ উৰুৰ মাংস কাটি পাৰটিৰ সহিতে জোখ কৰিলে। পাৰৰ ভৰ বেচি হ'ল। তেওঁ আকৌ মাংস কাটিলে, ইবাৰো পাৰ বেচি হ'ল। ৰজাৰ অসাধাৰণ সহিষ্ণুতা অলপো কাতৰ নহৈ তেওঁ পুনঃ নিজৰ মাংস কাটিলে। কিন্তু অৱশেষত যেতিয়া দেখিলে আকৌ পাৰ গধূৰ হল, তেতিয়া নিজেই তজু'ত উঠিল।

এই অদ্ভুত কাৰবাৰ দেখি ইন্দ্ৰ আৰু অগ্নিয়ে বৰ

ঋষিৰ এই যশস্যাৰ কথা চাৰিও পিনে বিস্তাৰিত হ'ল। আৰু সকলোৱে কব ধৰিলে মুদ্গল এজন সদাশয় লোক। মহৰ্ষি দুৰ্ব্বাসাই মুদ্গলৰ এই সুকীৰ্ত্তিৰ কথা শুনি বৰ বিস্মিত্ হ'ল। তেওঁ ভাবিলে "যি লোকে নিজে খাবলৈ নেপায়, সিনো কেনেকৈ আনক খাবলৈ দিয়ে? বাৰু মই এবাৰ মুদ্গলৰ ধৰ্ম্মনিষ্ঠাৰ পৰীক্ষা কৰিম।"

এদিনা খন দুৰ্ব্বাসাই অতিথি বেশেৰে মুদ্গলৰ ঘৰত উপস্থিত হৈ কলে, "মই বৰ ক্ষুধাৰ্ত্ত হৈছোঁ। মোক শীঘ্ৰে খাবলৈ দিয়া।" মুদ্গলে আনন্দ মনেৰে ঋষিক ভৰি ধুবৰ নিমিত্তে পানী আৰু বহিবলৈ আসন প্ৰদান কৰিলে। দুৰ্ব্বাসা বহি সুস্থ হোৱাত মুদ্গলে তেওঁক ভাত পানী আৰু অন্যান্য খোৱা বস্তু প্ৰদান কৰিলে। দুৰ্ব্বাসাই সমস্ত ভাত অবিলম্বে খাই পেলালে। মুদ্গলে আকৌ লৰা লৰিকৈ ভাত আনিলে; দুৰ্ব্বাসাই ইবাৰো সমূলি খালে। অতিথিয়ে ক্ৰমে মুদ্গলৰ ঘৰত যিমান অন্ন আছিল সমস্ত ভোজন কৰি, আসনৰ পৰা উঠি আচমন কৰিলে। মুদ্গলো সপৰিবাৰে সেই দিনা উপবাসে থাকিল।

পাচদিনা মুদ্গলে বৰকষ্টেৰে আহাৰ সংগ্ৰহ কৰিলে, কিন্তু খোৱাৰ সময়ত সেই ঋষি আহি আকৌ পূৰ্ব্ব দিনৰ নিচিনা কৈ সমস্ত খাই গুচি গ'ল।

এই ৰূপে দুৰ্ব্বাসাই ক্ৰমান্বয়ে ছয়দিন অহাত ঋষিৰ

ঙ্কাৰ কৰিছা ? তোমাৰ পিতাৰ অসীম ধন বল আছে সঁচা, তোমাৰ পিতাৰ ৰাজত্বও নিৰাপদ ; কিন্তু তথাপিও জ্ঞান বলে বলৱান ঋষি সকলৰ তুলনাত্ তুমি ক্ষুদ্ৰ।

এই ৰূপে কথায় কথায় দুইওৰে দন্দ্ বেচি হৈ অৱশেষত দুইও জনে কোনো উপযুক্ত মধ্যস্থৰ ঠাইলৈ গৈ এই বিষয়ে মিমাংসা কৰিবলৈ ঠিক্ কৰিলে। আৰু এই কথা বান্ধিলে যে, যি পৰাস্ত হব, আন জনে তাৰ প্ৰাণদণ্ড কৰিব। এনেকুৱা দাৰুণ কথা বান্ধি, বিৰোচনে কলে, "যাক মধ্যস্থ মানা, তেওঁৰ ওচৰলৈ যাওঁ বলা" ঋষি কুমাৰে কলে,—"তোমাৰ পিতাকেই এই বিষয়ে সমজুৱা পতা হক। তেওঁ বিচাৰ কৰি যি কয়, আমি সেই কথাতেই মান্তি হম।"

বিৰোচন বৰ সন্তুষ্ট হ'ল। তেওঁ ভাবিলে, যে "পিতাই কেতিয়াও মোৰ জীৱনৰ মায়া এৰি সুধন্বাৰ পক্ষে নকব। এই ৰূপ ভাবি তেওঁ তৎক্ষণাৎ সম্মতি দিলে।

দুইও প্ৰহ্লাদৰ গুৰিত উপস্থিত হ'লগৈ। আৰু বিৰোচনে কলে,—"পিতঃ আমালোকে প্ৰাণপণ কৰি এক বিষয়ৰ বিচাৰৰ অভিপ্ৰায়েৰে আপোনাৰ ওছৰলৈ আহিছোঁ। আমালোকৰ দুইও জনৰ ভিতৰত কোন প্ৰধান আপুনি তাৰ মিমাংসা কৰি দিয়োক। আমালোকৰ মাজত যিজন হীন বুলি ঠিক্ হব, আন জনে তাৰ প্ৰাণ বিনাশ কৰিব।"

# পৰস্ব গ্ৰহণ।

## শঙ্খ আৰু লিখিত।

[ মহাভাৰতৰ পৰা। ]

"শঙ্খ" আৰু "লিখিত" দুইও সহোদৰ আছিল। বাহুদা নদীৰ পাৰত ভিন্ন ভিন্ন আশ্ৰমত থাকি দুইও জনে তপ্ কৰিছিল। এদিন লিখিতে জ্যেষ্ঠৰ সাক্ষাৎ কৰিবলৈ ইচ্ছা কৰি, তেওঁৰ আশ্ৰমত উপস্থিত হ'ল গৈ। শঙ্খ তেতিয়া আশ্ৰমত নাছিল। খোজকাৰি অহা পৰিশ্ৰমত লিখিতৰ বৰ ভোক লাগিছিল। তেওঁ ভোকত কাতৰ হৈ ইফালে সিফালে আহাৰ অন্বেষণ কৰিবলৈ ধৰিলে।

আশ্ৰমত অনেক ফলৰ গছ আছিল। এই গছ বোৰত বাৰেও মাহে অনেক বিধৰ ফল থাকে। ফল বোৰ দেখা পাই লিখিতৰ বৰ আনন্দ হ'ল। তেওঁ এজোপা গছৰ পৰা অবিলম্বে কিছুমান ফল আহৰণ কৰি আহাৰ কৰিবলৈ ধৰিছে, এনে সময়তে শঙ্খ উপস্থিত হলহি। ভায়েকক ফল খোৱা দেখি শঙ্খই সুধিলে, "লিখিত তুমি এই বিলাক ফল কত পালা ?"

লিখিতে হাঁহি হাঁহি উত্তৰ কৰিলে, "ককাই দেও! মই ভোকত আকুল হৈছিলোঁ, সেই কাৰণে আপোনাৰ আশ্ৰমৰ গছৰ পৰা এই বিলাক ফল্ পাৰি, খাব ধৰিছোঁ।

হাত দুখন কাটি দিলে। তেওঁ ছিন্ন হাতে ভাইয়েকৰ গুৰিত উপস্থিত হৈ সকলো কথাকে ভাঙ্গি কলে। শঙ্খে কলে, ভাই! ভাল হৈছে, তোমাৰ পাপ্ মোচন হৈছে। এতিয়া নদীত তৰ্পণ কৰি অহা গৈ। ককায়েকৰ আজ্ঞা-অনুসাৰে নদীৰ পাৰত উপস্থিত হৈ পানীত নামিল। পিছে পানী লৈ তৰ্পণ কৰিবৰ ইচ্ছা কৰা মাত্ৰকেই পৰমেশ্বৰৰ অপাৰ অনুগ্ৰহত তেওঁৰ ছিন্ন হাত আকৌ প্ৰাপ্ত হ'ল।

এই ঘটনাত লিখিত বৰ আচৰিত হৈ শঙ্খৰ ঠাইলৈ গৈ তেওঁক হাত দুখন দেখোৱাত তেওঁ কলে,—"ভাই! এই হেঁতুকে অলপো আচৰিত নহবা। আমাৰ তপস্যাৰ বলত আৰু তোমাৰ সৰল ব্যৱহাৰত ঈশ্বৰে তোমাক অনুগ্ৰহ কৰিছে। প্ৰায়শ্চিত্ত নকৰিলে পাপ্ মোচন নহয়। ৰজা দণ্ডৰ কৰ্ত্তা, সেই হেঁতুকে তোমাক ৰজাৰ ওচৰলৈ পঠাইছিলোঁ। তেওঁ শাস্তি দিয়াত তোমাৰ সকলো পাপ্ দূৰ হৈছে।"

পৰৰ বস্তু থাওঁক নোকোৱাকৈ আপোন ককায়েকৰ বস্তু গ্ৰহণ কৰি লিখিতৰ নিচিনা মহৰ্ষিও চোৰ হব লগা হৈছিল।

আৰু তেওঁৰ ক্ৰোধ হোৱা মাত্ৰেই বিদ্যা সকল অদৃশ্য হৈ গ'ল। এই কথাতে তেওঁৰ আকৌ ক্ৰোধ জন্মিল।

এই সময়ত ৰজা হৰিশ্চন্দ্ৰও বিশ্বামিত্ৰৰ সম্মুখত উপস্থিত হলহি। মুনিক দেখা পাই, তেওঁৰ ভয় হ'ল। তেওঁ ভাবিলে যে "মই ঋষিক এনেকুৱা কঠুৱা কথা কৈ বৰ বেয়া কাম কৰিছোঁ।" ভয়ত হৰিশ্চন্দ্ৰৰ শৰীৰ কঁপিবলৈ ধৰিলে। বিশ্বামিত্ৰে তেওঁক দেখিয়েই ক্ৰোধেৰে কলে, "দুৰাচাৰ তোৰ অহঙ্কাৰৰ প্ৰতিফল দিওঁ।" হৰিশ্চন্দ্ৰে মুনিক সেৱা কৰি সবিনয়ে কলে;—প্ৰভু মোৰ ওপৰত খং নকৰিব। দান, ৰক্ষা আৰু ধৰ্ম্ম শাস্ত্ৰ মতে যুদ্ধ কৰা ৰজা সকলৰ কৰ্ত্তব্য কাম। মই বিপদ্‌গ্ৰস্ত লোকক ৰক্ষা কৰিবলৈ আগ বাঢ়িছোঁ। এতেকে আপুনি মোক ৰক্ষা কৰেঁাক।"

বিশ্বামিত্ৰে কলে;—"যদি তোমাৰ অধৰ্ম্মলৈ ভয় আছে, তেন্তে শীঘ্ৰে কোৱা কাক দান কৰা উচিত? কাক ৰক্ষা কৰিব লাগে? আৰু কাৰ সহিতে যুদ্ধ কৰা কৰ্ত্তব্য?"

ৰজাই উত্তৰ কৰিলে;—"দুখীয়া লোকক দান কৰিব, ভয়াৰ্ত্ত জনক ৰক্ষা কৰিব লাগে; আৰু ৰাজ-দ্ৰোহী বোৰৰ সহিতে যুদ্ধ কৰা উচিত।"

বিশ্বামিত্ৰে কলে,—"মহাৰাজ! মই যাচক্ ব্ৰাহ্মণ, যজ্ঞ কৰিম, মোক যজ্ঞৰ দক্ষিণা প্ৰদান কৰা।"

হৰিশ্চন্দ্ৰ কলে ;—"প্ৰভু! মোৰ যি কিছু আছিল সমুদয় আপোনাক দিছোঁ। এতিয়া স্ত্ৰী-পুত্ৰ আৰু নিজৰ শৰীৰ মাথোন অৱশিষ্ট আছে।"

বিশ্বামিত্ৰে কলে ;—মই আৰু এই কথা নুশুনোঁ। আপনি মোক অবিলম্বে যজ্ঞ—দক্ষিণা দিয়ক। দান, ৰক্ষা, যুদ্ধ কৰা ৰজা বিলাকৰ কৰ্ত্তব্য কাম বুলি আপুনিয়েই কৈছে।"

ৰজাই কলে ;—"আপুনি মোক এমাহ সময় দিয়ক মাহৰ শেষত যি প্ৰকাৰেই হওক আপোনাক দক্ষিণা দিম।"

মুনিয়ে কলে ;—"বাৰু সেইয়ে হওক, যাওক বাটত আপোনাৰ মঙ্গল হওক।"

ৰজাই স্ত্ৰীপুত্ৰ লৈ দেশান্তৰ হ'ল। ৰাজ ভোগত যি দিন কটাইছিল, আজি তেওঁ পথৰ মগনীয়া হ'ল। প্ৰজা বিলাকে ৰজাৰ অৱস্থা দেখি হাহাকাৰ কৰিবলৈ ধৰিলে। সকলো প্ৰজাই কবলৈ ধৰিলে "মহাৰাজ! আপুনি আমালোককো লগত লৈ যাওক। হে প্ৰভু! আপুনি কি অপৰাধত আমালোকক পৰিত্যাগ কৰিলে?" প্ৰজা সকলে এনেকৈ অনেক বিলাপ কৰিবলৈ ধৰিলে। তাঁহাতৰ শোকাৰ্ত্ত কথা শুনি ৰজাৰ দয়ালু হৃদয় দ্ৰবি গল আৰু তাতে ঠিয় দিলে। তেতিয়া বিশ্বামিত্ৰে কঠৰা মাতেৰে কলে ;—"দুৰাচাৰ! তোক ধিক্! তই মোক

নকৰে তাৰ নিশ্চয় অধোগতি হয়। মই দাসত্ব কৰিম, নিজকে বিক্রি কৰিয়েই ঋষিৰ ঋণ পৰিশোধ কৰিব।”

ৰজাই একে বাৰে কাতৰ হৈ অধোমুখে এনেকৈ ভাবিবৰ দেখি, ৰাজ মহিষীয়ে কলে, “মহাৰাজ চিন্তা এৰি সত্য পালন কৰক।” সত্যহীন লোক শ্মশানৰ তুল্য পৰিত্যজ্য। সত্য ৰক্ষাতকৈ শ্রেষ্ঠ ধর্ম্ম একোৱেই নাই। মিছলীয়া লোকৰ দান-ধর্ম্মাদি সকলোৱে বৃথা।” ইয়াকে কৈ মহিষীয়ে কান্দি কান্দি কলে ;—“মহাৰাজ! মোক বিক্রয় কৰি যি ধন পাই, তাৰেই ব্রাহ্মণৰ দক্ষিণা দিয়ক।

ৰজাই এই কথা শুণি মৰণান্তিক হ’ল। সেই সময়ত হৰিশ্চন্দ্রৰ শিশু পুত্রে ভোকত আতুৰ হৈ কৰলৈ ধৰিলে, “পিতা! মোৰ বৰ ভোক লাগিছে কিবা খাবলৈ দিয়ক”। তেনে সময়ত বিশ্বামিত্রে আহি তাত্ উপস্থিত হৈ কলে “ৰজা! মোক যজ্ঞ দক্ষিণা দিয়া। সত্যৰ নিচিনা ধর্ম্ম আৰু নাই। এতেকে তুমি তোমাৰ সত্য পালন কৰা। যদি বেলি মাৰ যোৱাৰ পূর্ব্বে মোক অঙ্গীকৃত যজ্ঞ দক্ষিণা নিদিয়া, তেনেহলে নিশ্চয় মই তোমাক শাপিম।” বিশ্বামিত্রে ইয়াকে কৈ প্রস্থান কৰিলে।

বিশ্বামিত্র যোৱাত ৰজাই একেবাৰে ধৈর্য্য হীন হৈ পৰিল। আৰু তেওঁ কি কৰিব একো ঠিক কৰিব নোৱাৰিলে। ৰাণীয়ে কলে ;—“মহাৰাজ! মই যি

তেওঁৰ পিচে পিচে যাবলৈ ধৰিলে। কাঠ্ চিতিয়া ব্ৰাহ্মণে লৰাটিক যাবৰ দেখি, তাক এবাৰ পদাঘাত কৰিলে, তথাপিও লৰাই মাতৃক নেৰিলে। পিছে ৰাণীৰ একান্ত অনুনয়ত ব্ৰাহ্মণে লৰাটিকো কিনি নিলে। স্ত্ৰী-পুত্ৰক এনেকৈ লৈ যোৱা দেখি, ৰজাই নিজকে নিজে ধিকাৰ দি কান্দিবলৈ ধৰিলে।

সেই সময়ত বিশ্বামিত্ৰেও ৰজাৰ ওচৰত উপস্থিত হৈ দক্ষিণা খুজিলে। ৰজাই স্ত্ৰী-পুত্ৰক বেচি যি ধন পাইছিল, সেই সমস্তকে বিশ্বামিত্ৰক দিলে। কিন্তু তাত ঋষি মান্তি ন'হল। তেওঁ কোপেৰে কলে;—"হে পামৰ এই সামান্য ধনেই কি মোৰ উপযুক্ত যজ্ঞ দক্ষিণা? যদি তাকেই মনত কৰিছা তেন্তে মোৰ তপস্যাৰ বল দেখা!"

ৰজাই কলে;—ভগৱান! মই অৱশিষ্ট দক্ষিণাও প্ৰদান কৰিম; কিন্তু সম্প্ৰতি যে মোৰ একো নাই। মই স্ত্ৰী আৰু শিশু পুত্ৰক বিক্ৰয় কৰিছোঁ।"

বিশ্বামিত্ৰে কলে;—"দিন শেষ হবৰ আৰু অল্প মাত্ৰ সময় আছে, এই সময়তে যি ৰূপে হওক মোৰ দক্ষিণা প্ৰদান কৰিব লাগিব।" এই কথা কৈ তেওঁ প্ৰস্থান কৰিল।

ৰজাই শোকে দুখে একে বাৰে ব্যাকুল হৈ উচ্চৈঃস্বৰে কবলৈ ধৰিলে, "ধনদি দাস কিনিবলৈ যদি কাৰো

এই কথা কোৱা মাত্ৰকে চণ্ডালে মুনিক ধন দি ৰজাক টানি লৈ গ'ল ; আৰু মাৰিলে প্ৰহাৰ কৰিবলৈ ধৰিলে। সেই চণ্ডালৰ ঘৰত থাকি, ৰজা "হৰিশ্চন্দ্ৰ" দুঃখ, লাজ আৰু স্ত্ৰী পুত্ৰৰ বিৰহত, কান্দি আৰু ভাবি চিন্তিয়েই দিন কটাবলৈ ধৰিলে। তেওঁ এবাৰ মনত ভাবে যে, "সম্ভবতঃ মোৰ স্ত্ৰী মোৰ শিশুপুত্ৰৰ মলিনতা মুখ খানি দেখি, ভাবিছে মই ধন দি শীঘ্ৰে তাহাঁতক উদ্ধাৰ কৰিম। হায়! মোৰ কি দশা হৈছে, তেওঁ তাক নেজানে। মই যে চণ্ডালৰ দাস হৈছোঁ।"

কিছু দিনৰ পিছত সেই চণ্ডালে ৰজাক মৰি শালিত মৰা মানুহৰ কাপোৰ সংগ্ৰহ আৰু শৱ পুৰিবলৈ নিযুক্ত কৰিলে। ইপিনে হৰিশ্চন্দ্ৰৰ পুত্ৰটিক সেই মুনিয়ে পুষ্প আহৰণ কৰিবলৈ নিয়োগ কৰিলে। এদিন হাবিত ফুল তোলোঁতে শাপে দংশাত পুত্ৰটিৰ মৃত্যু হ'ল। ৰাজ্ঞীয়ে মৃত পুত্ৰক কোলাত লৈ মৰিশালীত উপস্থিত হল হি। চণ্ডাল বেশধাৰী হৰিশ্চন্দ্ৰও বস্ত্ৰাদি লবৰ আশায়ে তাত উপস্থিত আছিল। অতিশয় দুখত পৰি এওঁলোকৰ আকৃতিৰ ইমান পৰিবৰ্ত্তন হৈছিল যে, পোন প্ৰথমে কোনেও কাকো চিনিব নোৱাৰিলে। শেষত হে উভয়ে উভয়ক চিনিব পাৰি, দুইও জনেই পুত্ৰৰ শোকত কাতৰ হৈ প্ৰাণ এৰিবলৈ দৃঢ় সঙ্কল্প কৰিলে।

শীঘ্ৰে এখন চিতা সাজিলে। মৰা পুত্ৰকক চিতাৰ

ইন্দ্ৰই কলে ;—"মহাৰাজ! তাহাঁতৰ ভিন্নে ভিন্নে বহুবিধ পাপ-পুণ্য আছে, তাহাঁতে কেনেকৈ আপোনাৰ লগত স্বৰ্গলৈ যাব।"

ৰজাই কলে ;—"দেৱৰাজ! মই যি অলপ পুণ্য-কাৰ্য্য কৰিছোঁ, মোৰ এই সকল আত্মীয় বোৰেও তাৰেই ফল ভাগী হওক। মই তাহাঁতক মোৰ সমুদাই পুণ্য ফল ভগাই দিলোঁ।"

সকলো দেৱতাই তেওঁৰ সেই কথাত সন্মত হলত ৰজা হৰিশ্চন্দ্ৰে পুত্ৰক অযোধ্যাৰ সিংহাসনত স্থাপন কৰি, আপোনাৰ ভক্ত প্ৰজা সকলক লগত লৈ স্বৰ্গাৰোহণ কৰিলে।

ভগৱান শুক্ৰাচাৰ্য্যে কৈ গৈছে, হৰিশ্চন্দ্ৰৰ নিচিনা ৰজা কেতিয়াও হোৱা নাই। নহবও। সহিষ্ণুতাৰ কি মহিমা। দানৰ কি মহা ফল। চোৱা ৰজা হৰিশ্চন্দ্ৰই দান আৰু সহিষ্ণুতাৰ বলেৰেই নিজে ইন্দ্ৰলোকলৈ গল আৰু ভক্ত প্ৰজা সকলকো লগত নিলে।

এই ৰূপে গুৰু ঘৰত থকাতে অনেক শিষ্যৰ ছুলি পকে, দাঁতৰ গুৰি ঢিলা হৈ পৰে। তথাপি তেওঁ লোকৰ মনত অভক্তি উদয় ন'হয়।

গুৰুৰ আদেশত উপমন্যুয়ে সমস্ত দিন গৰু চৰায়। আৰু সন্ধ্যা সময়ত গুৰুৰ গৃহক উভতি আহি গুৰুৰ চৰণ ধুৱাই।

এদিন আয়োদধৌম্যে উপমন্যুক মাতি কলে;—"উপমন্যু! তোমাৰ গা ক্ৰমে বাঢ়িছে দেখোঁ? তুমি কি খাই গা বেচি কৰিছা?"

উপমন্যুৱে কলে;—"প্ৰভো! ভিক্ষা কৰি যি পাওঁ তাকেই খাওঁ।"

গুৰুৱে কলে;—"তুমি মোক নোকোৱাকৈ ভিক্ষাৰ বস্তু খোৱাত তোমাৰ দোষ হৈছে।"

উপমন্যুৱে পাচ দিনা ভিক্ষা কৰি যি পালে সকলো খিনি গুৰুক দিলেহি। আৰু গুৰুৱে সকলো খিনি ৰাখি থলে। উপমন্যুক অলপো খাবলৈ নিদিলে। তেওঁ সেই দিন উপবাসে কটালে। আৰু পাচ দিনা লঘোনে থাকিও উচিত সময়ত গৰু চৰাবলৈ গ'ল। এই নিয়মে কিছুদিন কটালে। আকৌ এদিনাখন গুৰুৱে কলে;—"উপমন্যু! মই নিতৌ তোমাৰ সমুদাই ভিক্ষাৰ দ্ৰব্য লওঁ; তথাপি তোমাৰ গা দেখোঁ বেচি হৈছে। তুমি এতিয়া কি খোৱা?"

পাত খালে। সেই বাবে তেওঁৰ চকুৰ পীড়া উপস্থিত হৈ. চকুৰে নেদেখা হ'ল। এদিন হাবীৰ মাজত এটা খালত পৰি বহুত চেষ্টা কৰিও তাৰ পৰা উঠিব নোৱাৰিলে। ক্ৰমে সন্ধ্যা সময় অতীত হ'ল ; কিন্তু উপমন্যু ঘৰক উভতি নাহিল। গুৰুৱে উপমন্যুক ফিৰি অহা নেদেখি, আন শিষ্য বোৰক লগত লৈ সেই নিশাই বিচাৰিবলৈ গ'ল। উপমন্যু যি বনত গৰু চৰাই, গুৰু তালৈ গৈ "উপমন্যু! উপমন্যু!! বুলি মাতিবলৈ ধৰিলে। উপমন্যুও গুৰুৰ মাত শুনি, খালৰ পৰাই মাত দিলে ; "গুৰো! মই ভোকত আতুৰ হৈ আকনৰ পাত খাইছিলোঁ। তাতেই চকুৰে নেদেখা হৈ ইয়াতে পৰি আছোঁ।"

উপমন্যুৰ অদ্ভুত গুৰুভক্তি দেখি, দেৱতা সকলে তেওঁক কৃপা কৰিলে। তেওঁ শীঘ্ৰে সেই খালৰ পৰা উদ্ধাৰ পাই, ৰোগমুক্ত হ'ল। গুৰুভক্তিৰ বলত [illegible] দেৱতাৰ কৃপাত, তেওঁ সোন কালে সকলো শাস্ত্ৰতে অদ্বিতীয় পণ্ডিত হৈ উঠিল।

---

দেখোঁ। তেওঁক পথাৰৰ আলি দিবলৈ পঠাইছে।” গুৰুৱে কলে ; “তাৰ দেখোঁ। ভালে মান দেৰি হ’ল ? বলা আমালোকেও তালৈ যাওঁ।” ইয়াকে কৈ শিষ্য বোৰক লগত লৈ তেওঁ পথাৰৰ পিনে গ’ল। পথাৰত গৈ ইফাল সিফাল বিচাৰিলে, কিন্তু কোনো ঠাইতে আৰুণিক দেখিবলৈ নেপালে। ইয়াতে গুৰুৱে শঙ্কিত হৈ আৰুণি! আৰুণি!! বুলি মাতিবলৈ ধৰিলে। গুৰুদেৱৰ মাত শুনি, আৰুণি বেগতে বান্ধৰ পৰা উঠি, তেওঁৰ গুৰিত গৈ সেৱা কৰি কলে ; প্ৰভু! বহুত যত্ন কৰি আলি দিও পথাৰৰ পানী ৰাখিব নোৱাৰি, পিছে নিৰুপায় হৈ নিজে পানী যোৱা বাটত কাতি হৈ পৰি আছিলোঁ।”

এই কথাত গুৰুৱে সন্তুষ্ট হৈ কলে, “বাপা! পথাৰৰ আলিৰ পৰা উঠিলা, এতেকে আজিৰ পৰা তোমাৰ নাম **“উদ্দালক”** হ’ল। আৰু তুমি মোৰ কথা একেমনে পালন কৰিছা, সেই বাবে তোমাক আশীৰ্ব্বাদ ক[illegible] তোমাৰ কুশল হওক, আজিৰ পৰা সকলো শাস্ত্ৰত জ্ঞান অদ্বিতীয় পণ্ডিত হোৱা।

গুৰুৰ বৰ পাই, ভগৱানৰ কৃপায় উদ্দালক মহা পণ্ডিত হৈছিল। ৪১৩০/অ:

---

অন্ত।